**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ২৪৫/২০২০**

# ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি, সাংবাদিক, সমাজ সংগঠক, ক্ৰীড়া সংগঠকৰ সৈতে মুখ্যমন্ত্ৰী সোণোৱালৰ টেলিফোনিক বাৰ্তালাপ

## সাম্প্ৰতিক জটিল পৰিস্থিতিত বিশিষ্ট ব্যক্তিসকলে লোৱা বিভিন্ন পদক্ষেপৰ শলাগ ল'লে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ১০ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্যখনৰ কেইবাগৰাকী জ্যেষ্ঠ তথা বিশিষ্ট ব্যক্তি, ক্ৰীড়া সংগঠক, সমাজ সংগঠক, সাংবাদিকৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি ক'ভিড-১৯ প্ৰতিহত কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কত মত-বিনিময় কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ৰ দৰে মহা দুৰ্যোগক কেনেদৰে নিবাৰণ কৰিব পাৰি আৰু এইক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাসমূহ সমাধানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ বিশেষকৈ দুখীয়া জনসাধাৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে বিশিষ্ট ব্যক্তিকেইগৰাকীৰ সৈতে মত-বিনিময় কৰে।

মত-বিনিময়ৰ সময়ত বিশিষ্ট ব্যক্তিকেইগৰাকীয়ে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে দিনে-নিশাই এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপক শক্তিশালী পদক্ষেপ বুলি অভিহিত কৰে।

মুখ্যমন্ত্ৰীয়ে আজি বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ তথা অসম কেশৰী অম্বিকাগিৰি ৰায় চৌধুৰীৰ নাতি জগদিন্দ্ৰ ৰায় চৌধুৰী, পাণ্ডু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ভৱানী প্ৰসাদ উপাধ্যায়, প্ৰাক্তন সাংসদ ডঃ অৰুণ শৰ্মা, গুৱাহাটী প্ৰেছ ক্লাবৰ প্ৰাক্তন সম্পাদক নৱ ঠাকুৰীয়া, জ্যেষ্ঠ সাংবাদিক ৰূপম বৰুৱা, ভাৰতীয় বৈদেশিক সেৱাৰ প্ৰাক্তন বিষয়া তথা উত্তৰ কোৰিয়াৰ প্ৰাক্তন ৰাষ্ট্ৰদূত বিনন্দ কুমাৰ গগৈ, বিশিষ্ট ব্যৱসায়ী কৃষ্ণ কুমাৰ গোৱেংকা, বিশিষ্ট ক্ৰীড়া সংগঠক মনোজ মহান্তি, বিশিষ্ট সমাজ সংগঠক গৌৰাংগ ৰয়, দিলীপ বসু, স্বপ্নীল মধুকৰৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

**বঃভাঃ**
**১০/০৫/২০২০**